জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৭৮/২০২০

# বিশিষ্ট শিল্পী জীৱন বৰাৰ বিয়োগত মুখ্যমন্ত্ৰী সোণোৱালৰ শোক প্ৰকাশ

**দিছপুৰ, ২১ নৱেম্বৰ ঃ** বিশিষ্ট অভিনেতা, নাট্য পৰিচালক জীৱন বৰাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত জীৱন বৰাই আমাৰ কলা-সংস্কৃতিৰ জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল, সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰায় দুশখনতকৈও অধিক নাটকত অভিনয় কৰাৰ লগতে বহু সংখ্যক নাট পৰিচালন কৰি আমাৰ নাট্য কলা জগতলৈ প্ৰয়াত বৰাই বিশিষ্ট বৰঙণি আগবঢ়াই গৈছে। শিল্পী বঁটা প্ৰাপক এই গৰাকী শিল্পীয়ে বোলছবিত অভিনয় কৰাৰ লগতে দূৰদৰ্শনৰ বহু ধাৰাৱাহিকতো অভিনয় কৰি আমাৰ শিল্প জগতলৈ অনন্য অৱদান আগবঢ়াই গৈছে। তেজপুৰ অঞ্চলৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ বাবেও তেখেতে যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। এই গৰাকী শিল্পীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত জীৱন বৰাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২১/১১/২০২০**